প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

## কৰ'না প্ৰতিৰোধী অভিযান

## প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ বিশেষ পেকেজ

# ৮,৫১,৬৪২ গৰাকী হিতাধিকাৰীলৈ আৰ্থিক সাহায্য

# পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ

**গুৱাহাটী ২২ এপ্ৰিলঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে আজি ৮,৫১,৬৪২গৰাকী হিতাধিকাৰীক ৫০০ টকাকৈ প্ৰথম কিস্তিৰ বিশেষ অৰ্থ সাহায্য প্ৰদান কৰা হয়। কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে দেশ জুৰি চলি থকা লক ডাউনৰ সময়ছোৱাত দুখীয়া জনসাধাৰণক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা (PMGKY)ৰ বিশেষ পেকেজৰ অধীনত এই সাহায্য মুকলি কৰা হয়।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে নিজে এই অৰ্থ সাহায্য প্ৰদান প্ৰক্ৰিয়া তদাৰক কৰি আছে।

উল্লেখযোগ্য যে এই সাহায্যৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ কৰি থকা ধ্বজাবাহী আঁচনি ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি (NSAP)ৰ অন্তৰ্গত বৃদ্ধ, বিধৱা আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে থকা পেন্সন আঁচনিৰ হিতাধিকাৰীসকলক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিগৰাকী হিতাধিকাৰীক ১হাজাৰ টকাকৈ দিবলগীয়া এই সাহয্যৰ ধন দুটা কিস্তিত প্ৰদান কৰা হ'ব। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে মোকলাই দিয়া ৪,২০৪.৯৩লাখ টকাৰে আজি প্ৰথম কিস্তিৰ ৫০০ টকাকৈ হিতাধিকাৰীসকলৰ বেংক একাউণ্টত পোনপটীয়াকৈ প্ৰদান কৰা হয়। ইয়াৰে ভিতৰত বৃদ্ধ পেন্সনাৰ আছে ৭,০৫,০২২ গৰাকী, বিধৱা পেন্সনাৰ ১,১২,০৪০ গৰাকী আৰু বিশেষ ভাৱে সক্ষম লোকৰ বাবে থকা পেন্সনৰ হিতাধিকাৰী আছে ৩৪,৫৮০ গৰাকী।

*এম আৰ ডি/২২-০৪-২০২০*